**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-MAY-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰি ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ ৰূপৰেখা সন্দৰ্ভত বিতংকৈ আলোচনা কৰে। বিত্ত মন্ত্ৰীগৰাকীৰ চৰকাৰী বাসগৃহত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিগত পাঁচ বছৰত অসমলৈ আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে শ্ৰীমতী সীতাৰমণক ধন্যবাদ জ্ঞাপন কৰে। চৰকাৰী বিবৃতিত প্ৰকাশ পোৱা মতে আলোচনা কালত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, আন্তঃগাঁথনি, সম্প্ৰসাৰণ আৰু বিনিয়োগ সম্পৰ্কীয় বিভিন্ন দিশৰ বিষয়ে ড০ শৰ্মাই বিত্তমন্ত্ৰীগৰাকীক অগৰত কৰে। তেওঁ কয়, যে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ বাবে তথা যোগাযোগ ব্যৱস্থা উন্নতি সাধনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ আন্তঃগাঁথনি প্ৰকল্প, ঔদ্যোগীক বিনিয়োগ আৰু কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। বৈঠকত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড০ কে কে দ্বিবেদি উপস্থিত থাকে। ড০ শৰ্মাই আজি পুৱা দিল্লীত নিৰ্মিয়মান অসম ভৱনৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰিব। তাৰ পাছত দিল্লীৰ আছাম হাউছৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

oooooo

লখিমপুৰৰ ৰূপামণি গড়ে বিশ্বৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি ৰাজ্যৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। এভাৰেষ্ট জয়ৰ এই অভিযানটোৰ উদ্যোক্তাসকলে জনোৱা মতে অসমৰ ভনিতা টিমুংপিৰ নেতৃত্বত যোৱা ভাৰত তিব্বতীয় সীমান্ত আৰক্ষী বাহিনীৰ দলটোৱে বৃহস্পতিবাৰৰ পুৱা ৮ বজাৰ পৰা এভাৰেষ্ট শিখৰলৈ অভিযান আৰম্ভ কৰিছিল। দলটোত অনুপ কুমাৰ, পদ্মা টুণ্ডুত, কপিল দেৱ, ষ্টেনজিন কৰল আদি কেইবাজনো ভাৰতীয় পৰ্বতাৰোহী সদস্য আছিল। ৰূপামণি গড়ৰ এই সফলতাত তেওঁৰ গৃহ জিলাত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এভাৰেষ্ট শৃংগত আৰোহণ কৰা প্ৰথমগৰাকী অসমীয়া মহিলা পৰ্বতাৰোহী হোৱাৰ কৃতিত্ব অৰ্জন কৰা ৰূপামণি গড়লৈ আৰু দলটোক নেতৃত্বত দিয়া ভনিতা টিমুংপিলৈ অভিনন্দন জ্ঞাপন কৰিছে। দুয়োগৰাকীৰ এই সাফল্যই অসমৰ নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা হৈ ৰ'ব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰিছে।

উল্লেখযোগ্য যে ৰূপামণি গড়ে ২০২০ চনত আই টি বি টি জোৱান হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল।

oooooo

মটক ৰাজ্যৰ প্ৰতিষ্ঠাতা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ স্মৃতি দিৱস উপলক্ষে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধা নিবেদন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই মটক জনগোষ্ঠীৰ অন্যতম শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ স্বদেশ প্ৰেম, অসাধাৰণ বীৰত্ব আৰু দূৰদৰ্শী নেতৃত্বৰ আদৰ্শৰে তৰুণ প্ৰজন্ম আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে।

অসমৰ ভূমিপুত্ৰসকলৰ মাজৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী মটকসকলৰ শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সোঁৱৰণত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলা প্ৰশাসনে ২২৪ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱসৰ আয়োজন কৰিছে। জিলাখনৰ পানীতোলা বালিজান যুৱসংঘৰ খেলপথাৰত হ'বলগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই একেটা অনুষ্ঠানতে কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰশিল্প বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থকাৰ কথা। অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি ভালেসংখ্যক

গন্য-মান্যলোক উপস্থিত থাকিব। উল্লেখযোগ্য যে জিলা প্ৰশাসনে সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনকে কেইবাটাও সংগঠনৰ সহযোগত এই দিৱসৰ আয়োজন কৰিছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, ছিকিম আৰু পশ্চিমবঙ্গৰ হিমালয়ৰ পাদদেশৰ অঞ্চলবিশেষে আজি ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে দিল্লী, হাৰিয়ানা, চণ্ডিগড়, পূব উত্তৰ প্ৰদেশ, পূব মধ্য প্ৰদেশ আৰু বিদৰ্ভ অঞ্চলত আজি গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে বুলি আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে, উত্তৰ-পশ্চিম, মধ্য আৰু পূব ভাৰতৰ ঠাইবিশেষে পৰৱৰ্তী ৬-৭ দিনলৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে।০০০০০

০০০০০০

২০২৪-২৫ বৰ্ষৰ সাংসদ এলেকা উন্নয়ন পুঁজিৰে কাৰ্বি আংলং জিলাৰ পৰিষদীয় ন-মাটি সমষ্টিৰ অন্তৰ্গত ডেন তেৰণ গাঁৱত নিৰ্মাণ কৰা এখন দলং কালি যাতায়াতৰ বাবে মুকলি কৰা হয়। সাংসদ এলেকা উন্নয়ন পুঁজিৰ ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই দলংখন ডিফুৰ সাংসদ অমৰছিং টিচুৱে মুকলি কৰে। দলং মুকলি অনুষ্ঠানত অংশ লৈ সাংসদগৰাকীয়ে কয়, যে মহামায়া আৰু ন-মাটি পৰিষদীয় সমষ্টিৰ জনসাধাৰণৰ যাতায়াতত এই দলংখন সহায়ক হ'ব। তেওঁ সাংসদ উন্নয়ন পুঁজিৰ টকাৰে পাহাৰীয়া জিলাখনত আন্তঃগাঁথনি উন্নয়নত ব্যয় কৰা হৈছে বুলি প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**